নিৰ্ভীক নিৰপেক্ষ
অসমীয়া খবৰ
দ্বাদশ বছৰ, সংখ্যা ৬৩
১৩ জানুৱাৰী, শুকুৰবাৰ, ২০২৩

# কানৈ মহাবিদ্যালয়ত জনগোষ্ঠীয় সাংস্কৃতিক মিলন সমাৰোহ

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১২ জানুৱাৰীঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় প্ৰাঙ্গণত ডিব্ৰুগড় সাহিত্য সভা, ডি এইছ এছ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু এন এল বি চিটি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত ১৩ জানুৱাৰীৰ সন্ধিয়া ৫ বজাৰ পৰা 'ভোগালীৰ আদৰণি প্ৰথম বাৰ্ষিক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ' শীৰ্ষক সকলো জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। নিয়ন লাইটৰ পোহৰত কানৈ মহাবিদ্যালয়ৰ সেউজীয়া দলিচাত জুইৰ উত্তাপত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটত দেউৰী, টাই, বড়ো, টিৱা, বেংগলী, মিচিং, সোণোৱাল কছাৰী, চাহ জনগোষ্ঠী, মটক, হাজং, চুতীয়া, পাঞ্জাৱী, ভোজপুৰী, ৰাজস্থানী, নেপালী আদিকে ধৰি ১৫ টাৰো অধিক সম্প্ৰদায়ৰ নিজ নিজ লোক-সংস্কৃতি পৰিৱেশন কৰাৰ লগতে অন্যান্য বহুখিনি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে অনুষ্ঠানটত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জে পি বাৰ্মা, ডিব্ৰুগড় বিধান সভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনকে ধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত শুভাকাংক্ষী ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা উদ্যোক্তা সমিতিৰ সৈতে জড়িতসকলে কামনা কৰিছে।